# <u>তৰ্পণ বিধি</u>

Collected, Translated and Edited by :
**Abhi Barthakur** for http://HaraHari.org Dtd: July 14, 2020
Contact: abhi@barthakur.com web: http://barthakur.com
Ph: +91 936 555 7998

## ১/ আবাহন

দক্ষিন ফালে মুখ কৰি আসনত বহি লওক। সন্মুখত কোষা–অৰ্ঘ্যা থাকিব, আৰু এটা খালি পাত্ৰ, সো–ফালে ১টা বা ২টা পানী ভৰ্তি পাত্ৰ ৰাখিব । দুইবাৰ মন্ৎৰ পাঠেৰে আচমন কৰিব।

<u>আচমনৰ বিধি</u>

কোষাত জল ও তুলসীপাত লৈ, বাও হাতে অৰ্ঘা ধৰি, সামান্য জল সো হাতেৰ তলুৱাত লই, তাৰ দ্বাৰা আচমন কৰিব। আচমন কৰিবৰ সময়ত কব **“নমোঃ বিষ্ণু, নমোঃ বিষ্ণু,** নমোঃ বিষ্ণু” ।
*(জ্ঞানী ব্ৰাহ্মনৰ বাবে : মইওঁ ভূৰ্ , মইওঁ ভুৰ্ব, মইওঁ স্ৱ)| নমোঃ means in mind I ওঁ means I'am*

আচমন কৰি হাত ধোৱক, আৰু দেবতীৰ্থ দ্বাৰা (অৰ্থাৎ সোঁ হাতৰ পাঁচটা আঙুলিৰ আগভাগেৰে কোষা ধৰি) কুষাত সামান্য জল লই নিম্নলিখিত মন্ত্ৰ গাওক –

**“নমোঃ অপবিত্ৰঃ পবিত্ৰোবা সৰ্ববাবস্থাং গতোহপি বা।**
**যঃ স্মৰেৎ পুণ্ডৰীকাক্ষং সৰ্বহ্যভ্যন্তৰ শুচিঃ।।**
**নমোঃ কুৰুক্ষেত্ৰ গয়া গঙ্গা প্ৰভাস পুষ্কৰাণি চ।**
**তীৰ্থন্যেতানি পুন্যানি তৰ্পণকালে ভবন্তিহ।।”**

এই মন্ত্ৰপাঠৰ পাচত অৰ্ঘাৰ জল খালি পাত্ৰৰ পেলাওক । দ্বীতিয়বাৰ আচমন কৰি মন্ত্ৰপাঠ কৰি জল খালি পাত্ৰত পেলাওক, মনত ৰাখিব সদায় কোষা-অৰ্ঘাত কিছু তুলসীপাত থাকিব লাগে, আৰু কাষত এটা খালি পাত্ৰত কিছু বেলেগে তুলসীপাত থাকিব লাগে । যদিহে কোষাৰ জলৰ তুলসীপাত শেষ হই যায়, তেতিয়াহলে নতুন তুলসীপাত লৈ লব ।

## ২/ দেৱ তৰ্পণ

পূৰ্ব ফালে ঘুৰি বহক (সদাই বাঁও ফালে ঘুৰিব)। কোষা-অৰ্ঘা আৰু জলভৰ্তি পাত্ৰ সন্মুখত লৈ লওক। দেৱতীৰ্থ দ্বাৰা (ওপৰত কোৱা মতে) এক অঞ্জলি জল লই **"নমোঃ বিষ্ণু সতৃপ্যতাম"** ***(জ্ঞানী ব্ৰাহ্মনৰ বাবে বিষ্ণু = মইওঁ )*** মন্ত্ৰপাঠ কৰি খালি পাত্ৰত জল দিব।
এনেদৰে এক এক অঞ্জলি জল লৈ **"নমোঃ বিষ্ণু সতৃপ্যতাম"**, **"নমোঃ ৰূদ্ৰ সতৃপ্যতাম"**, **"নমোঃ প্ৰজাপতি সতৃপ্যতাম"** আদি মন্ত্ৰোচ্চাৰনেৰে প্ৰতিবাৰ খালি পাত্ৰত জল দিব।

আৰু এক অঞ্জলি জল নিম্নলিখিত মন্ত্ৰপাঠ কৰি দেৱতীৰ্থ দ্বাৰা দিব –

**"নমোঃ দেবা যক্ষাস্তথা নাগা গন্ধৰ্বাপসৰ সোহ সুৰাঃ ক্ৰুৰাঃ সৰ্পাঃ সুপৰ্ণাশ্চ তৰবো জিহ্মেগাঃ যগাঃ।**
**বিদ্যাধৰা জলোধাৰাস্তথৈ বাকাশগামিনঃ নিৰাহাৰাশ্চ যে জীবাঃ পাপে ধৰ্মে ৰতাশ্চ যে।**
**তেষামাপ্যায়নায়ৈতদ দীয়তে সলিলং ময়া।।"**

## ৩/ মনুষ্য তৰ্পণ

পশ্চিম ফালে ঘুৰি বহক (বাওঁফালে ঘুৰিব)। কোষা-অৰ্ঘা আৰু জলভৰ্তি পাত্ৰ লগত লৈ ঘুৰিব। আসনখন অলপ পিচুৱাই লওক, যাতে মাটি ওচৰত হয়। কায়তীৰ্থ দ্বাৰা – (অৰ্থাৎ, জলপূৰ্ণ অৰ্ঘ বুঢ়আঙুলি আৰু কনিষ্ঠা আঙুলিৰে ধাৰন কৰক) কোলাৰ ফালে, মাটিত (খালিপাত্ৰত নহয়), দুই অঞ্জলি জল, নিম্নলিখিত মন্ত্ৰোচ্চাৰনৰ দ্বাৰা দিয়ক-

"নমোঃ সনকশ্চ সনন্দশ্চ তৃতীয়শ্চ সনাতনঃ। কপিলশ্চাসু ৰিশ্চৈব বোঢুঃ পঞ্চশিখস্তথা। সৰ্বেতে তৃপ্তিমায়ান্তু মদ্দত্তেনাম্বুনা সদা।।"

## ৪/ ঋষি তৰ্পণ

আকৌ পূব ফালে ঘুৰি বহক ( বাওঁ ফালে ঘুৰিব) লগত কোষা-অৰ্ঘা আৰু জলপূৰ্ণ পাত্ৰ লই লব।

নিম্নলিখিত মন্ত্ৰপাঠ কৰি দেৱতীৰ্থেৰে এক এক অঞ্জলি জল প্ৰত্যেক ঋষিকে দিয়ক –
এই জল খালি পাত্ৰত দিব।

**"নমোঃ মৰীচি সতৃপ্যতাম, নমোঃ অত্রি সতৃপ্যতাম,**
**নমোঃ অঙ্গিৰা সতৃপ্যতাম, নমোঃ পুলস্ত্য সতৃপ্যতাম,**
**নমোঃ পুলহ সতৃপ্যতাম, নমোঃ ক্রতু সতৃপ্যতাম,**
**নমোঃ প্রচেতা সতৃপ্যতাম, নমোঃ বশিষ্ঠ সতৃপ্যতাম,**
**নমোঃ ভৃগু সতৃপ্যতাম, নমোঃ নাৰদ সতৃপ্যতাম।।"**

## ৫ / দিব্য পিতৃতৰ্পণ

দক্ষিণ ফালে ঘুৰি বহক । কোষা-অৰ্ঘা আৰু জলপূৰ্ণ পাত্ৰ সমুখত ৰাখিব । জলপূৰ্ণ পাত্ৰত ক'লা তিল আৰু তুলসী সদাই ৰাখিব। জল দানৰ বাবে খালি পাত্ৰ সমুখত ৰাখিব । কাষত বেলেগে তুলসীপাত আৰু ক'লা তিল পৰ্যাপ্ত পৰিমানে ৰাখিব, কমি গলে দিবৰ বাবে ।

বাওঁ আঠু মাটিত আৰু সোঁ-আঠু থিয়কৈ ৰাখি বহক । পিতৃতীৰ্থ দ্বাৰা – অৰ্থাৎ, কোষা জলপূৰ্ণ কৰি সোঁ হাতৰ তৰ্জনী আৰু বুঢ়াআঙুলিৰে ধাৰন কৰি, এক এক অঞ্জলি জল নিম্নলিখিত প্ৰতিটি মন্ত্ৰেৰ সৈতে খালি পাত্ৰত দান কৰিব । ( নহলেবা ডাঙৰ তামৰ পাত্ৰ বা তামৰ কমন্দলুৰেও জল দান দিব পাৰি - কাৰন বহুতকে দিওতে জল কোষাত সোনকালে শেষ হৈ যায় - মাত্ৰ মনত ৰাখিব যে তিল-তুলসী তাত থাকে)

**"নমোঃ অগ্নিষ্বাত্তাঃ পিতৰ সতৃপ্যন্তামেতৎ সতিলোদকং তেভ্যোনমোঃ,**
**নমোঃ সৌম্যাঃ পিতৰ সতৃপ্যন্তামেতৎ সতিলোদকং তেভ্যোনমোঃ,**
**নমোঃ হবিষ্মন্তঃ পিতৰ সতৃপ্যন্তামেতৎ সতিলোদকং তেভ্যোনমোঃ,**
**নমোঃ উস্মপাঃ পিতৰ সতৃপ্যন্তামেতৎ সতিলোদকং তেভ্যোনমোঃ,**
**নমোঃ সুকালিনঃ পিতৰ সতৃপ্যন্তামেতৎ সতিলোদকং তেভ্যোনমোঃ,**
**নমোঃ বৰ্হিৰ্ষদঃ পিতৰ সতৃপ্যন্তামেতৎ সতিলোদকং তেভ্যোনমোঃ,**
**নমোঃ আজ্যপাঃ পিতৰ সতৃপ্যন্তামেতৎ সতিলোদকং তেভ্যোনমোঃ।।"**

## ৬/ যম তৰ্পণ

একেই দিশে (দক্ষিণে) একেই আসনে (বাওঁ আঠু মাটিত, সোঁ আঠু থিয়) পিতৃতীৰ্থে নিম্নোক্ত মন্ত্ৰেৰে তিনবাৰকৈ, তিনি অঞ্জলি জল দিব –

**“নমোঃ যমায় ধৰ্ম ৰাজায় মৃত্যবে চান্তকায়চ।**
**বৈবন্বতায় কালায় সৰ্বভূতক্ষয়ায়চ।**
**ঔডুম্বৰায় দধ্নায় নীলায় পয়মেষ্ঠিনে।**
**বৃকোদৰায় চিত্ৰায় চিত্ৰগুপ্তায় বৈ নমোঃ।।”**

## ৭/ পিতৃ আবাহন

একই দিশে বহি, পদ্মাসনেৰে, কৃতাঞ্জলি হই নিম্নোক্ত মন্ত্ৰপাঠ কৰক –

**“নমোঃ আগছন্তু মে পিতৰ ইমং গৃহ্ন্তু পোহঞ্জলিম।।”**

## ৮/ পিতৃ তৰ্পণ

একই দিশে (দক্ষিণে) বহি, একেই আসনে (বাওঁ আঠু মাটিত, সোঁ আঠু থিয়) , পিতৃতীৰ্থে নিম্নোক্তগনকে (ঊৰ্ধ্বতন তিনি গৰাকীৰ যি ইহলোকত নাই )

পিতা, পিতামহ (ককা), প্ৰপিতামহ (আজোককা)
মাতামহ(মাকৰ ফালৰ - ককা ), প্ৰমাতামহ (মাকৰ ফালৰ আজোককা), বৃদ্ধ প্ৰমাতামহ (মাকৰ ফালৰ আজো-আজোককা)
মাতা , পিতামহী (দেউতাৰক ফালৰ আইতা), প্ৰপিতামহী (দেউতাকৰ ফালৰ - আজোআইতা)
মাতামহী (মাকৰ ফালৰ আইতা), প্ৰমাতামহি (মাকৰ ফালৰ আজো আইতা), বৃদ্ধ প্ৰমাতামহী (মাকৰ ফালৰ আজো-আজো আইতা)

(যাৰ নাম মনত নাই, তেওঁলোৰক সম্পৰ্ক উল্লেখ কৰি "যথানামঃ" অথবা "যযানামঃ" অথবা "যযানাম্নী [স্ত্ৰীলোক ক্ষেত্ৰত) কব)

এওঁলোকৰ প্ৰত্যেককে স্ব স্ব বেদীৰ মন্ত্ৰ তিনবাৰকৈ জলাঞ্জলি দিব। জল খালি পাত্ৰত দান কৰিব (মনত ৰাখিব জলৰ লগত যেন কিছু তিল ও তুলসী থাকে । বেদীৰ মন্ত্ৰ হল : –

“[নাম], [গোত্ৰ], [সম্পৰ্ক, যেনেকে  পিতা] (পিতাৰ নাম, অথবা যে পৰলোকগত ব্যক্তিৰ নাম মনত নাথাকিলে যথানাম বা যথানাম্নী বুলি কব)

**তৃপ্যতামেতৎ সতিলোদকং তস্মৈ স্বধা।।”**

[এইধৰনে, “...... গোত্ৰ, পিতামহ...... তৃপ্যতামেতৎ সতিলোদকং তস্মৈ স্বধা” ইত্যাদি। স্বৰ্গতা স্ত্ৰীলোকৰ ক্ষেত্ৰত – “...... গোত্ৰোয়া, মাতা ......” ইত্যাদি।

উপৰোক্ত ৪টি পৰ্যায়ত প্ৰত্যেকটি পৰলোকগত/গতা শেষ তিনজনৰ তৰ্পণ কৰিব – মানে, যদি মাতা জীবিতা থাকেন, তেনেহলে  পিতামহী, প্ৰপিতামহী ও বৃদ্ধা প্ৰপিতামহীৰ তৰ্পণ কৰিব। যদি পিতা মৃত হৈছে, কিন্তু পিতামহ জীবিত, তেনেহলে পিতা, প্ৰপিতামহ ও বৃদ্ধ প্ৰপিতামহৰ ৰ্তপণ কৰিব। এইধৰনে কৰি যাওক ।]

এই বাৰজনক জলদান কৰাৰ পাছত সমৰ্থপক্ষে অন্যান্য স্বৰ্গত:/ স্বৰ্গতাঃ আত্মীয়ের উদ্দেশে গোত্ৰ, নাম, প্ৰথমা বিভক্তি যুক্ত কৰি এক এক অঞ্জলি জল তৰ্পন দিব । মানে ধৰক – পিতৃব্য, জ্যেষ্ঠতাত, ভ্ৰাতা, মাতুলঃ, বিমাতা, ভগিনী, পিত্বস্বসন, মাতৃস্বসা, শ্বশুৰ, শ্বশ্ৰূঃ, গুৰুঃ, উপাচাৰ্যায়ঃ, মাতুলানী, জেঠাই, জেঠপেহা, পেহী, পেহা, মামা, মামী , জ্যেষ্টতাত পত্নী, পিত্বব্যপত্নী, পত্নী ইত্যাদি।

পিতৃ পুৰুষেৰ তৰ্পণ মন্ত্ৰই বেদী বিশেষে বিভিন্ন, নতুবা অন্যান্য সমস্ত বিধিয়েই  সাধাৰণ।

## ৯/ ভীষ্ম তৰ্পণ

ভীষ্ম তৰ্পণ সদায় কৰিব নেলাগে, কেৱল  ভীষ্মাষ্টমীৰ দিন কৰ্তব্য। পিতৃ তৰ্পনৰ  আগতে ভীষ্ম তৰ্পণ কৰাতো উচিত। পিতৃ তৰ্পনৰে দৰেই,  একেই দিশে, একেই আসনে, পিতৃতীৰ্থে এক অঞ্জলি জল দিৱ।
মন্ত্ৰ-

**“নমোঃ বৈয়াঘ্ৰপদ্যগোত্ৰায় সাঙকৃতি প্ৰবৰায়চ।**
**অপুত্ৰায় দদাম্যেতৎ সলিলং ভীষ্মবৰ্মণে।।”**
**প্ৰনাম মন্ত্ৰ (যোগাসনে কৃতাঞ্জলি হই )-**
**“নমোঃ ভীষ্মঃ শান্তনবো বীৰঃ  সত্যবাদী জিতেপ্ৰিয়ঃ।**
**আভিৰড্ভিৰ বাপ্নোতু পুত্ৰ পৌত্ৰ চিতাং ক্ৰিয়াম।।”**

## ১০/ ৰাম তৰ্পণ

ভীষ্ম তৰ্পণের অনুৰূপে, পিতৃতীৰ্থে নিম্নোক্ত মন্ত্রেৰে তিনিবাৰ তিনি অঞ্জলি জলদান কৰিব –

**"নমোঃ আব্রক্ষভুবনাল্লোকা দেবৰ্ষি পিতৃমানবাঃ।**
**তৃপ্যন্তু পিতৰঃ সৰ্বে মাতৃমাতামহাদয়ঃ ।**
**অতীত কুলকোটীনাং সপ্তদ্বীপনিবাসিনাম।**
**ময়া দত্তেন তোয়েন তৃপ্যন্তু ভুবনত্রয়ম।।"**

ইয়াৰ পিছত, নিম্নোক্ত মন্ত্রেৰে, পিতৃতীৰ্থে এক অঞ্জলি জলদান কৰিব –

**"নমোঃ যেহবান্ধবা বান্ধবা বা যেহ্ন্যজন্মনি বান্ধবাঃ।**
**তে তৃপ্তি মখিলাং যান্তু যে চাস্মত্তোয়কাঙ্ক্ষিণঃ।।"**

ইয়াৰ পাছত নিম্নোক্ত মন্ত্রোচ্চাৰনেৰে তিনিবাৰ, পিতৃতীৰ্থে তিনি অঞ্জলি জলদান কৰিব –

**"নমোঃ আব্রক্ষস্তম্বৰ্যন্তং জগতৃপ্যতু।।"**

ইয়াৰ পাছত পিতৃতীৰ্থে, আৰু এক অঞ্জলি জল লৈ নিম্নোক্ত মন্ত্রোচ্চাৰনেৰে , সেই জল ভূমিতে নিক্ষেপ কৰিব –

**"নমোঃ অগ্নিদগ্ধাশ্চ চ যে জীবা যে**
**অপিদগ্ধা কুলে মমঃ ভূমৌদত্তেন তৃপ্যন্তুঃ**
**তৃপ্তাজান্তু পৰাং গতিং যে সাং ন মাতা,**
**ন পিতা, ন বন্ধু নৈবান্যং তৎ তৃপ্তায় ঈদং জলং।।"**

# ১১/ পিতৃ প্ৰনাম ও মাতৃ প্ৰনাম

যোগাসনত বহি  কৃতাঞ্জলি হ্ই নিম্নোক্ত মন্ত্ৰপাঠ কৰক –

**“নমোঃ পিতাস্বৰ্গঃ পিতা ধৰ্মঃ**
**পিতাহি পৰমন্তপঃ।**
**পিতৰি প্ৰীতিমাপন্নে**
**প্ৰীয়ন্তে সৰ্ব দেবতাঃ।।”**

মুৰ তল কৰি কৃতাঞ্জলিবদ্ধ হস্তদ্বয় হৈ সোঁফালে প্ৰনাম কৰক-

**“নমোঃ পিতৃচৰণেভ্যো নমোঃ।।”**

মুৰ তল কৰি কৃতাঞ্জলিবদ্ধ হস্তদ্বয় হৈ বাওঁফালে প্ৰনাম কৰক-

**“নমোঃ মাতৃচৰণেভ্যো নমোঃ।।”**

সৰ্বশেষত, সম্মুখত দিকে মুৰ তল কৰি প্ৰনাম কৰক –

**“নমোঃ নাৰায়নায় নমোঃ।।”**

**-সমাপ্ত-**